টোৰ বাণী

কিছু লোকৰ উন্নতি
ান বহুতৰ ভাল
ৰও পতন ঘটে।
— শ্বেইক্সপীয়েৰ


# অসম আদিত্য

RNI REGN. No. :
epaper.as
Portal : www
e-mail : asom


চাহপাত আৰু
বাঢ়ে। ইয়াত থ
বৃদ্ধি কৰে। এটি
দূৰ কৰে। সে
খোৱাে


সংখ্যা ২৪৪ ■ ২২ ভাদ, ১৯৪৭ শক ■ সোমবাৰ, ৮ ছেপ্টেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Monday, September 8, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত


## ড° ভূপেন হাজৰিকাৰ অবিহনে অসম্পূৰ্ণ অসমীয়া জাতিৰ পৰিচয় ঃ মন্ত্ৰী প্ৰশান্ত ফুকন

# ৩ সহস্ৰাধিক শিল্পীয়ে গালে ‘মৃত্যু জিনাৰ গান’

**ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড়, ৭ ছেপ্টেম্বৰ ঃ** সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা অসমীয়া জাতিৰ প্ৰাণ। ড০ ভূপেন হাজৰিকাৰ গীত, সাহিত্য আজিও স্মৰণীয় হৈ আছে। ড০ ভূপেন হাজৰিকা অসমীয়াৰ পৰিচয়। ড০ অমৰজ্যোতি চৌধুৰীৰ ‘মৃত্যু জিনাৰ গান’ শীৰ্ষক কবিতা আবৃত্তি অনুষ্ঠানত আজি অসম চৰকাৰৰ শক্তি, দক্ষতা, নিয়োগ আৰু উদ্যোগ, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে এইদৰে কয়। মন্ত্ৰীগৰাকীয়ে কয়— ড০ ভূপেন হাজৰিকাৰ অবিহনে অসমীয়া জাতিৰ পৰিচয় সম্পূৰ্ণ হ’ব নোৱাৰে। অসম সাহিত্য সভাৰ ভাতৃ সংগঠন অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ অধীনৰ ডিব্ৰুগড় জিলা সমিতিয়ে ডিব্ৰুগড় জিলাৰ লাহোৱাল পলিটেক্নিক খেলপথাৰত অনুষ্ঠিত কৰা ‘মৃত্যু জিনাৰ গান’ শীৰ্ষক সমূহীয়া কবিতা আবৃত্তি কাৰ্যসূচীত তেওঁ কয়— ড০ ভূপেন হাজৰিকাই অসমীয়াক জীয়াই থকাৰ পথ দেখুৱাইছিল। জীয়াই থকাৰ দৰ্শন দেখুৱাইছিল। ড০ ভূপেন হাজৰিকাৰ দৃষ্টি আছিল বহুমুখী। ড০ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰি তেওঁ কয়— ড০ ভূপেন হাজৰিকাৰ আদৰ্শ সকলোৱে জীয়াই ৰাখিব লাগিব। তেওঁৰ চিন্তা আগুৱাই নিব লাগিব। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে ড০ ভূপেন হাজৰিকাৰ গীত গাই উপস্থিত সকলোকে আপ্লুত কৰে। আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলাৰ সভাপতি ড০ শশীকান্ত শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ নিৰোদ বৰুৱাই কয়— ড০ ভূপেন হাজৰিকাৰ দৰ্শন কেৱল অনুসৰণ কৰিলেই নহ’ব, বাস্তৱ অৰ্থত কাৰ্যকৰী কৰি তেওঁৰ সৃষ্টিশীল কামসমূহ নতুন প্ৰজন্মই আগুৱাই নিব লাগিব। কেৱল কবিতা আৰু গীতেৰে ড০ ভূপেন হাজৰিকাক জীয়াই ৰাখিব নোৱাৰে বুলি উল্লেখ কৰি তেওঁ কয়— নতুন প্ৰজন্মই নতুনকৈ চিন্তাচৰ্চা কৰিব লাগিব। নতুন প্ৰজন্মই ড০ ভূপেন হাজৰিকাৰ প্ৰতিটো কৰ্ম, চিন্তা কাৰ্যকৰী তুলিবলৈ সকলোৱে আগবাঢ়ি আহিব লাগিব। তেওঁ কেৱল অসমৰে শিল্পী নাছিল বুলি উল্লেখ কৰি কয় যে সমগ্ৰ বিশ্বৰ মানৱ সমাজৰ তেওঁ আছিল এজন বিশ্বখনিকৰ। এইগৰাকী মহান শিল্পীক তেওঁৰ সৃষ্টিৰাজিৰ মাজত জীয়াই ৰাখি তেওঁ চিন্তাবোৰকো প্ৰতিজন অসমীয়াই বাস্তৱ ৰূপ দিবলৈ চেষ্টা কৰা উচিত বুলি তেওঁ কয়। তেওঁ জগতৰ মংগলৰ বাবে চিন্তা কৰি মহান শিল্পী হিচাপে পৰিচয় দিছিল বুলিও উল্লেখ কৰে। পৰিষদৰ ডিব্ৰুগড় জিলাৰ সম্পাদক বৈদ্যব্ৰাইট বুঢ়াগোহাঁইয়ে আঁত ধৰা আজিৰ কবিতা আবৃত্তি কাৰ্যসূচীত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সদস্য ৰিজুমণি শইকীয়া তামুলী উপস্থিত থাকে। কাৰ্যসূচীত ডিব্ৰুগড় জিলাৰ কুৰিটাৰো অধিক শাখাই অংশগ্ৰহণ কৰিছিল। প্ৰখৰ ৰ’দকো নেওচি শিল্পীসকলে ড০ ভূপেন হাজৰিকাৰ মৃত্যু শতবাৰ্ষিকী উদ্‌যাপনৰ প্ৰাক্‌মুহূৰ্তত আজি তিনি সহস্ৰাধিক ছাত্ৰ-ছাত্ৰী, অন্যান্য ব্যক্তি উপস্থিত থাকি কাৰ্যসূচী সফল কৰি তোলে। অনুষ্ঠানৰ প্ৰাৰম্ভত পতাকা উত্তোলন কৰে সভাপতি ড০ শশীকান্ত শইকীয়াই। বিশিষ্ট শিক্ষা সংগঠক জ্যোতিপ্ৰসাদ কানৈও অনুষ্ঠানত উপস্থিত থাকি সাৱলীল বক্তৃতা প্ৰদান কৰে। জিলাখনৰ পৰিষদৰ শাখাসমূহৰ লগতে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত), মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়, কানৈ বাণিজ্য মহাবিদ্যালয়, এন এল বি চিটি মহাবিদ্যালয়, দুলীয়াজান মহাবিদ্যালয়, নাহৰকটীয়া মহাবিদ্যালয়, নামৰূপ মহাবিদ্যালয়কে ধৰি বহুসংখ্যক শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে এই কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। সভাৰ শেষত সভাপতি ড০ শশীকান্ত শইকীয়াই কাৰ্যসূচীলৈ সহায়-সহযোগিতা আগবঢ়োৱা জ্যোতিপ্ৰসাদ কানৈ, অনুপম মহন্তকে প্ৰমুখ্য কৰি সকলোলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত দুলীয়াজান মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ উৎপল সুত, দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ লোক বিকাশ গগৈও উপস্থিত থাকে।